**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-07-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুৱাৰে পৰা উচ্ছেদ অভিযান চলোৱা হ'ব। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক আজিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাদিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০

দেশৰ স্বাধীনতা আন্দোলনৰ এগৰাকী শক্তিশালী নেতা, অসাধাৰণ বাগ্মিতাৰ অধিকাৰী, লেখক, দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা আন্দোলনলৈ আগবঢ়োৱা সেৱাৰ বাবে দেশভক্ত উপাধিৰে বিভূষিত ফুকনে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনত ওতপ্ৰোতভাৱে জড়িত আছিল। অসম চৰকাৰৰ উদ্যোগত আজি এই মহান নেতা গৰাকীৰ পূণ্য তিথি **দেশভক্তি দিৱস** হিচাপে পালন কৰা হৈছে। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ ভৰলুমুখৰ তৰুণৰাম ফুকন উদ্যানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ জনতা ভৱনত দেশভক্তি দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হয়।

ৰাজ্যৰ প্ৰায় আটাইকেইখন জিলাতে দেশভক্তি দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজী জিলাত তথ্য আৰু জনসংযোগ বিভাগে দিনজোৰাকৈ এই কাৰ্যসূচী পালন কৰে। অনুষ্ঠানত মৰিধল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° কবিতা গগৈয়ে ভাষণ দিয়ে। লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ত আজি এই দিৱস পালন কৰা হয়। শোণিতপুৰ জিলাতো আজি দেশভক্তৰ স্মৃতিত শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ পূৰ্বৰ পৰীক্ষা নিয়ন্ত্ৰক ড° ভূৱনেশ্বৰ চহৰীয়াই বক্তৃতা দিয়ে। যোৰহাট জিলাতো আজি এই দিৱস উপলক্ষে কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফু আৱৰ্ত ভৱনত আৰু পশ্চিম কাৰ্বি আংলংৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এই দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০

বনভূমি অধিকাৰ আইন ২০০৬ৰ অধীনত বিশ্বনাথ জিলা প্ৰশাসনে আজি জিলাখনৰ বনভূমিত বসবাস কৰা দুহেজাৰ ১৪৫জন লোকক ভূমিস্বত্ব প্ৰমাণ-পত্ৰ বিতৰণ কৰে। বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজত এই উপলক্ষে অনুষ্ঠিত সভাত বিশ্বনাথৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি আন কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। মন্ত্ৰী অশোক সিংহলে তেওঁৰ ভাষণত কয় যে অসমৰ খিলঞ্জীয়া লোকসকলক সামাজিক আৰু সাংস্কৃতিক দিশত সুৰক্ষিত কৰিবলৈ বন অধিকাৰ আইন, ২০০৬ৰ অধীনত ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই আইনৰ জৰিয়তে চৰকাৰে খিলঞ্জীয়া লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবেও অহোপুৰুষাৰ্থ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে বন অধিকাৰ সমিতি গঠনৰ জৰিয়তে ক্ষেত্ৰ পৰ্যায়ত এই আইনৰ সঠিক ৰূপায়ণ নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। শ্ৰীসিংহলে আজি জিলাখনৰ সাকোঁমঠাত জলসিঞ্চন বিভাগে পুনৰনিৰ্মাণ কৰি উলিওৱা এখন শ্লুইচ গেট উদ্বোধন কৰে।

০০০০

শিৱসাগৰ জিলাৰ ৰংঘৰৰ বাকৰিত আজি সদৌ টাই আহোম ছাত্ৰ সন্থা, আটাছুৱে এখন সংবাদ মেলৰ আয়োজন কৰি জিলাখনৰ ঐতিহাসিক আৰু পৌৰাণিক সম্পদসমূহ দখলমুক্ত কৰি সংৰক্ষণ কৰাৰ দাবী উত্থাপন কৰে। আটাছুৱে পূৰাতত্ব বিভাগ আৰু জিলা প্ৰশাসনক ইয়াৰ বাবে সাত দিনৰ সময়সীমা বান্ধি দিয়ে। সংগঠনটোৱে ৰংঘৰ, পহুগড়, ৰংগনাথ মন্দিৰ আৰু যমুনাৰ সংৰক্ষণ আৰু দখলমুক্ত কৰাৰ দাবী কৰে। সংগঠনটোৱে লগতে ৰংঘৰ চৌহদৰ কৃত্ৰিম বানৰ সমস্যা দূৰ কৰাৰ বাবে জল নিষ্কাষণ ব্যৱস্থা উন্নত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০

যক্ষ্মামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৬৫জন যক্ষ্মা ৰোগীক একোটাকৈ পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। মৰাণ বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে এই খাদ্যৰ টোপোলাসমূহ বিতৰণ কৰে। অনুষ্ঠানত জিলা যক্ষ্মা বিষয়া ডাঃ ৰবি বৰুৱাই ৰোগীসকলৰ বাবে সজাগতামূলক পৰামৰ্শ আগবঢ়ায়।

০০০০

অসম আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযানত বৃহৎ সাফল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। কাছাৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ২০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। এই টেবলেটখিনিৰ বজাৰমূল্য ৬ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত দুজন লোকক আটক কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ